অসম বিধান সভা
তৰাবিহীন প্ৰশ্ন নং –৪৭৯
**উত্তৰ দিয়াৰ তাৰিখ ঃ ২৩/০৭/২০২৬ ইং**

*বিষয় ঃ* **Cooperative Society শক্তিশালীকৰণ**
বিধায়ক - শ্ৰীৰূপম চন্দ্ৰ ৰয় ঃ

মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

বাওখুংগ্ৰী সমষ্টিত কৃষি, মীন পালন, ক্ষুদ্ৰ উদ্যোগ আৰু Self Group -ভিত্তিক Cooperative Society-সমূহ অধিক শক্তিশালী কৰাৰ বাবে গ্ৰহণ কৰা পদক্ষেপ আৰু উপলব্ধ সমৰ্থন ব্যৱস্থাসমূহৰ তথ্য সদনত দাখিল কৰিব ।

**উত্তৰ ঃ**

সমবায় বিভাগৰ মন্ত্ৰী মাননীয় শ্ৰীযুত কৌশিক ৰায় দেৱে উত্তৰ দিব ।

কোকৰাঝাৰ জিলাৰ অন্তৰ্গত বাওখুংগ্ৰী বিধান সভা সমষ্টিত মুঠ ৩৩ খন সমবায় সমিতি আছে । ইয়াৰে ৮ খন গাওঁ পঞ্চায়ত পৰ্য্যায়ৰ সমবায় সমিতি (PACS) আৰু অন্যান্য (other) ২৫ খন সমবায় সমিতি । এই সমবায় সমূহক শক্তিশালী কৰাৰ বাবে বিভাগৰ ফালৰ পৰা তলত উল্লেখ কৰা ধৰণে পদক্ষেপ লোৱা হৈছে আৰু পৰৱৰ্ত্তী দিনত চৰকাৰৰ নিৰ্দেশনা মৰ্মে সমবায় সমিতি সমূহক আগবঢ়াই লৈ যোৱাৰ বাবে বিভিন্ন ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব ।

(১) গাওঁ পঞ্চায়ত সমবায় সমিতি সমূহে (PACS) লোৱা পদক্ষেপৰ বিশদ বিৱৰণঃ

(ক) Micro ATM :- ৮ খন সমবায়ৰ অংশীদাৰ তথা অঞ্চলৰ সকলো ৰাইজৰ আৰ্থিক লেনদেন ইয়াৰ জৰিয়তে সহজলভ্য কৰা হৈছে । (সমবায় সমূহৰ নামৰ তালিকা পৃথককৈ গাঁথি দিয়া হ'ল)

(খ) C.S.C. (গ্ৰাহক সেৱা কেন্দ্ৰ)ঃ- ৩ খন সমবায়ৰ অন্তৰ্গত সকলো ৰাইজক ইয়াৰ জৰিয়তে Online সুবিধা প্ৰদান কৰা হৈছে ।(সমবায় সমূহৰ নামৰ তালিকা পৃথককৈ গাঁথি দিয়া হ'ল)

(গ) RIDF Godown :- RIDF আঁচনিৰ অধীনত ইতিমধ্যে ভোটগাঁও, তুলসীবিল আৰু বিন্যাখাতা সমবায় সমিতিক ভঁৰালঘৰ (Godown) নিৰ্মাণ কৰি দিয়া হৈছে ।

(ঘ) KCC Loan :- Apex Bank ৰ জৰিয়তে ভোটগাওঁ, গামবাৰীবিল আৰু শৰাইবিল সমবায় সমিতিক KCC Loan প্ৰদান কৰা হৈছে ।

(ঙ) PMKSK :- বিভাগৰ তৰফৰ পৰা তুলসীবিল, গামবাৰীবিল আৰু শৰাইবিল সমবায় সমিতিত PMKSK (প্ৰধানমন্ত্ৰী কৃষাণ সমৃদ্ধি কেন্দ্ৰ) খুলি দিয়া হৈছে যাতে অঞ্চলৰ কৃষক ৰাইজে সহজলভ্য মূল্যত বীজ, সাৰ আৰু আন্যান্য কীটনাশক দ্ৰব্য লাভ কৰিব পাৰে ।

(চ) PMBJAK :- ভোটগাওঁ সমবায় সমিতিত এখন PMBJAK (প্ৰধানমন্ত্ৰী ভাৰতীয় জন-ঔষধিকেন্দ্ৰ) স্থাপন কৰা হৈছে যাতে অঞ্চলৰ ৰাইজে কম মূল্যত Generic ঔষধ ক্ৰয় কৰিব পাৰে লগতে উক্ত কেন্দ্ৰত ৰাইজৰ সুবিধাৰ বাবে সপ্তাহৰ প্ৰতি শুক্ৰবাৰ আৰু শনিবাৰে এজন অভিজ্ঞ চিকিৎসকৰ উপস্থিতি নিশ্চিত কৰা হৈছে ।

(ছ) PDS :- ৮ খন সমবায় সমিতিয়ে PDS আঁচনিৰ অধীনত অঞ্চলৰ ৰাইজক বিনামূলীয়া চাউল যোগান ধৰি আহিছে আৰু লগতে সুলভ মূল্যত চেনী, দাইল আৰু নিমখ যোগান ধৰা হৈছে ।

(জ) সজাগতা সভা আৰু প্ৰশিক্ষণ ঃ- প্ৰতিখন সমবায় সমিতিক শক্তিশালী কৰাৰ বাবে চৰকাৰৰ নিৰ্দেশনা মতে মাজে-সময়ে সজাগতা সভা আৰু প্ৰশিক্ষণৰ ব্যৱস্থা কৰি থকা হৈছে ।

(ঝ) পশু-ঔষধি বিক্রয় কেন্দ্র(PUVK) ঃ- ভোটগাওঁ সমবায় সমিতিয়ে অঞ্চলৰ পশু-পালক ৰাইজৰ সুবিধাৰ বাবে এখন পশু-ঔষধি বিক্রয় কেন্দ্র (PUVK) খেলাৰ বাবে আবেদন দাখিল কৰিছে আৰু লগতে ৰাইজৰ সুবিধাৰ বাবে এখন সমূহীয়া বিবাহ ভৱন (Community Marriage Hall) নির্মাণ কৰাৰ বাবে আবেদন দাখিল কৰিছে ।

(২) অন্যান্য সমবায় সমিতি সমূহৰ উন্নয়নৰ বাবে লোৱা পদক্ষেপৰ বিৱৰণঃ-

(ক) বাওখুংগ্ৰী সমষ্টিত ভাৰত চৰকাৰৰ সমবায় মন্ত্ৰাণালয়ৰ লগতে অসম চৰকাৰৰ নির্দেশনা মৰ্মে দুখন Farmers Producer Organisation Co-op. Society (FPOCS) পঞ্জীয়ন কৰা হৈছে আৰু সমবায় দুখনৰ আৰ্থিক উন্নতিৰ বাবে গাইপতি ৮,১৯,১৬৩.০০ টকাকৈ অনুদান আগবঢ়োৱা হৈছে ।

(খ) অন্য ৭ খন সমবায় সমিতিৰ উন্নতিকল্পে বি.টি.চি. কৰ্তৃপক্ষৰ জৰিয়তে মুঠ ২,১০,০০০.০০ টকাৰ এককালীন আৰ্থিক অনুদান প্ৰদান কৰা হৈছে ।

****

[পৰিশিষ্ট-(ক) অনলাইন যোগে প্ৰেৰণ কৰা হ'ল]

পৰিশিষ্ট – 'ঝ'

DETAILS ACTIVITIES OF COOPERATIVE SOCIETIES UNDER BAOKHUNGRI ASSEMBLY CONSTITUENCY FALLING WITHIN KOKRAJHAR DISRTICT.

| Sl. No. | Name of Society | Implementation of Scheme | Remarks |
|---|---|---|---|
| 1 | 2 | 3 | 4 |
| 1 | Bhotgaon PACS | PDS, Micro ATM, CSC, RIDF Godown, KCC Loan, PMBJAK | |
| 2 | Fakiragram PACS | PDS,Micro ATM, CSC. | |
| 3 | Saktiashram PACS | PDS, Micro ATM, CSC. | |
| 4 | Bhumka PACS | PDS, Micro ATM | Partly covered in Baokhungri Assembly Constituency |
| 5 | Soraibil PACS | PDS, Micro ATM, KCC Loan, PMKSK | -do- |
| 6 | Tulshibil PACS | PDS, Micro ATM, RIDF Godown, PMKSK | -do- |
| 7 | Gambaribil PACS | PDS, Micro ATM, KCC Loan, PMKSK | -do- |
| 8 | Binnyakhata PACS | PDS, Micro ATM, RIDF Godown | -do- |
| 9 | Baokhungri FPOCS. | Agriculture farming | Grant received from Govt. |
| 10 | Ujan Velly FPOCS. | -do- | -do- |
| 11 | No. 2 Chekadani Piggery Farm & Allied C.S. Ltd. | Live Stock Farming | Financial assistance received from BTC Authority |
| 12 | Bardwi Sikla Piggery Farm & Allied C.S. Ltd. | -do- | -do- |
| 13 | Jwogakang Goatery C.S. Ltd. | -do- | -do- |
| 14 | Muluk Goatery & Allied C.S. Ltd. | -do- | -do- |
| 15 | Jannat Poultry and Allied C.S. Ltd. | -do- | -do- |
| 16 | Moromi Poultry Farming & Allied C.S. Ltd. | -do- | -do- |
| 17 | Hailary Tent House & Allied C.S. Ltd. | Trading | -do- |

Dist. Deputy Registrar of Co-operative Societies, Kokrajhar

District Deputy Registrar of Co-operative Societies, Kokrajhar